# সাধাৰণ নিৰ্বাচন, চিনামৰা মহাবিদ্যালয় ছাত্ৰ একতা সভা

**বৰ্ষ ঃ ২০২৩-২৪**

**চিনামৰা মহাবিদ্যালয়, চিনামৰা, যোৰহাট**

**জাননী**

ইয়াৰ দ্বাৰাই চিনামৰা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে জনোৱা হ'ল যে আগন্তুক**২০২৩-২৪** বৰ্ষৰ নতুন ছাত্ৰ একতা সভা গঠনৰ বাবে বিভাগীয় পদসমূহৰ মনোনয়ন পত্ৰ প্ৰতিদ্বন্দিতা কৰিব বিচৰা ছাত্ৰ-ছাত্ৰীয়ে কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰিব পাৰিব।

**ছাত্ৰ-ছাত্ৰীয়ে মনোনয়ন দাখিল আৰু ভোটদানৰ ক্ষেত্ৰত পূৰণ কৰিবলগা চৰ্তসমূহ**

১) মহাবিদ্যালয়ৰ নামভৰ্তিৰ প্ৰমাণ পত্ৰৰ ফটোকপি মনোনয়ন পত্ৰৰ লগত গাঁঠি দিব লাগিব।

২) প্ৰাৰ্থীৰ এজন প্ৰস্তাৱক আৰু এজন সমৰ্থকৰ নিৰ্দ্ধাৰিত মাচুল আদায় দিব লাগিব। (নামভৰ্তিৰ ৰচিদৰ ফটোকপি গাঁঠি দিব)

৩) মহাবিদ্যালয়ৰ ছাত্ৰ বা ছাত্ৰী হিচাপে পৰিচয় পত্ৰৰ ফটোকপি মনোনয়ন পত্ৰৰ লগত গাঁঠি দিয়াৰ লগতে ভোটদানৰ সময়ত বিভাগীয় নিযুক্তি বিষয়াক জমা দিব লাগিব।

৪) কেৱল নিয়মীয়া ছাত্ৰ-ছাত্ৰীয়েহে ভোটদান কৰিব পাৰিব। (ভোটদাতাসকলে লগত **পৰিচয় পত্ৰ** আনিব লাগিব)

৫) মনোনয়ন পত্ৰ সম্পূৰ্ণ শুদ্ধ হ'ব লাগিব।

৬) মনোনয়ন পত্ৰৰ মূল্য **২৫০.০০** টকা।

৭) ভোটদানৰ নিৰ্ধাৰিত তাৰিখ, সময় আৰু স্থানত ভোটদাতাই ভোট সাব্যস্ত কৰিব লাগিব।

৮) মনোনয়ন পত্ৰৰ লগত **একপি পাচপ'ৰ্ট আকাৰৰ ফটো (ইউনিফৰ্ম পিন্ধি তোলা)** গাঁঠি দিয়াতো বাধ্যতামূলক।

৯) প্ৰাৰ্থীয়ে কোনোধৰণৰ দলৰ সমৰ্থনত প্ৰাৰ্থীত্ব দিব নোৱাৰিব। মহাবিদ্যালয়ৰ চৌহদৰ নিৰ্বাচনী প্ৰচাৰত কেৱল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়েহে অংশগ্ৰহণ কৰিব পাৰিব। মহাবিদ্যালয়ৰ বাহিৰৰ কোনো লোকে চৌহদত প্ৰচাৰ বা কোনো বে-আইনী কাৰ্যত অংশ ল'লে নিৰ্দিষ্ট প্ৰাৰ্থীজনৰ মনোনয়ন পত্ৰ তৎকালীনভাৱে প্ৰত্যাহাৰ কৰা হ'ব।

১০) নিৰ্বাচনৰ প্ৰচাৰত ব্যস্ত থাকি কোনো ছাত্ৰ-ছাত্ৰীয়ে পাঠদান গ্ৰহণৰ পৰা বিৰত থাকিব নোৱাৰিব।

১১) এজন ছাত্ৰ-ছাত্ৰীয়ে কেৱল এজন প্ৰাৰ্থীৰ ক্ষেত্ৰতহে প্ৰস্তাৱক বা সমৰ্থক হ'ব পাৰিব।

১২) সাধাৰণ সম্পাদক পদৰ বাবে স্নাতক পঞ্চম সন্মাষিকৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰাৰ্থীত্ব গ্ৰহণযোগ্য নহ'ব।

১৩) মহাবিদ্যালয়ৰ নিৰ্বাচনত কোনো দলীয় ৰাজনীতি নচলিব।

১৪) মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত নিৰ্বাচনী প্ৰচাৰৰ বাবে কোনো বেনাৰ, পোষ্টাৰ ইত্যাদি লগাবলৈ দিয়া নহ'ব।

১৫) **উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুযায়ী শ্ৰেণীকোঠাত শতকৰা ৭৫ শতাংশ উপস্থিত থকা ছাত্ৰ-ছাত্ৰীয়েহে নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিব পাৰিব।**

**মনোনয়ন পত্ৰ সংগ্ৰহ, জমা আৰু নিৰ্বাচনৰ তাৰিখ আদিৰ বিৰৱণ**

| | | | |
|---|---|---|---|
| ১) | মনোনয়ন পত্ৰ সংগ্ৰহ | ঃ | ১২ /০৯/২০২৩ ৰ পৰা ১৪/০৯/২০২৩ লৈ (দিনৰ ২-০০ বজাৰ ভিতৰত) |
| ২) | মনোনয়ন পত্ৰ দাখিল | ঃ | ১৫/০৯/২০২৩ৰ দিনৰ ১২-০০ বজাৰ ভিতৰত |
| ৩) | মনোনয়ন পত্ৰৰ বৈধতা ঘোষণা | ঃ | ১৫/০৯/২০২৩ তাৰিখে দিনৰ ১২-০০ বজাত |
| ৪) | মনোনয়ন পত্ৰ প্ৰত্যাহাৰ | ঃ | ১৯/০৯/২০২৩ তাৰিখে দিনৰ ১২-০০ বজাৰ ভিতৰত |

**নিৰ্বাচন অনুষ্ঠিত হোৱা তাৰিখ ঃ ২১/০৯/২০২৩, বৃহস্পতিবাৰ**

**ক) ভোটদানৰ সময়ঃ পুৱা ৯-৩০ বজাৰ পৰা দিনৰ ১২-৩০ বজালৈ**

**খ) ভোট গণনাঃ বিয়লি ১-০০ বজাত**

**ভোট গণনা শেষ হোৱাৰ পাছত ফলাফল ঘোষণা কৰা হ'ব।**

দিনাংকঃ ০৭/০৯/২০২৩

**(অধ্যাপক অচ্যুৎ দত্ত)**
নিৰ্বাচনী বিষয়া
ছাত্ৰ একতা সভা সভাৰ নিৰ্বাচন, ২০২৩-২৪
৯৮৬৪৯৯৩৭৮২